# বিপন্ন মাছসমূহ ৰক্ষা কৰক

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল অলেখ জান-জুৰি, নদ-নদী, হ্ৰদ-পুখুৰী, বিল আদিৰে পূৰ্ণ হৈ থকাৰ উপৰিও এই অঞ্চলটোত সৰ্বব্যাপী আছে জলাহভূমি। বিভিন্ন জাতি-প্ৰজাতিৰ বাৰে ৰহনীয়া ভাষা-সংস্কৃতিৰ মিলনভূমি, এই অঞ্চলতে আছে বিভিন্ন মূল্যবান মৎস্য প্ৰজাতিসমূহৰ বসতিস্থল।

**মূল্যবান মৎস সম্পদসমূহ ঃ**

নদ-নদী আৰু প্ৰাকৃতিক জলাশয়সমূহত অসংখ্য মাছেৰে ভৰি থকা (১৮৭ বিধ প্ৰজাতি) উত্তৰ-পূৰ্বাঞ্চলত প্ৰায় ৪৩ বিধ এনে প্ৰজাতি আছে যাক কেৱল পৃথিৱীৰ এই অঞ্চলতহে পোৱা যায়। ব্ৰহ্মপুত্ৰ নদীতেই বাণিজ্যিকভাৱে গুৰুত্বপূৰ্ণ ৪১ বিধ মাছৰ প্ৰজাতি আছে। ইয়াৰে ভিতৰত ৰৌ-বাহু-জাতীয়, শিলঘৰীয়া পিঠীয়া জাতীয়, মাগুৰ বৰালী জাতীয় প্ৰজাতিসমূহ। ইয়াত পোৱা অন্যান্য প্ৰজাতিৰ মাছসমূহ আনকি ভাৰতবৰ্ষৰ আন অঞ্চলতো পোৱা নাযায়।

**মাছৰ ক্ৰমহ্ৰাসমান দৃশ্যপট ঃ**

উত্তৰ-পূৰ্বাঞ্চলত মৎস্য সম্পদসমূহ ক্ৰমে হ্ৰাস পাই আহিব ধৰাৰ উল্লেখযোগ্য কাৰণসমূহ হ'ল - মানৱ বসতি অঞ্চলৰ সম্প্ৰসাৰণ, মানৱ জনসংখ্যা বিস্ফোৰণ, প্ৰদূষণ, মৎস্য বসতি স্থল ধ্বংস ইত্যাদি। লক্ষ্ণৌৰ 'ৰাষ্ট্ৰীয় মৎস্য আনুবংশিক সংসাধন সংস্থাই' (NBFGR) এই অঞ্চলৰ ৯ বিধ প্ৰজাতিৰ মাছ অতি বিপন্ন বুলি বাছি উলিয়াইছে।

সেই কেইবিধ হ'ল - পাভ মাছৰ দুটা প্ৰজাতি (Ompok pabda, Ompok Pabo) কুঢ়ি জাতীয় - Labeo dyocheilus, semiplotus semiplotus (পাহাৰী জুৰিত পোৱা যায়) Balitora brucci, Burbus dukai, Olyra longicaudata, Psilorhynchus homaloptera আৰু তুৰা বা গছি মাছ জাতীয় - Naemacheiius elongatus.

আমাৰ নদ-নদী বা জলাশয়সমূহ সুন্দৰ আৰু সম্পদশালী কৰি ৰাখিবলৈ আমি ইঁহতক প্ৰদূষণমুক্ত আৰু প্ৰাকৃতিক অৰক্ষয়ৰ পৰা ৰক্ষা কৰিব লাগিব। এই অঞ্চলত মাছৰ প্ৰজাতি আৰু সঁচ ক্ৰমাৎ হ্ৰাস পাই অহাৰ মুখ্য কাৰণসমূহ হ'ল-

- ক্ৰমবৰ্দ্ধমান মানৱ হস্তক্ষেপ,
- মাছৰ কণী পৰা অঞ্চলসমূহ ধ্বংস কৰা,
- বনাঞ্চল আৰু মাছৰ বসতিস্থল ধ্বংস কৰা,
- গাভিনী আৰু পোনা মাছ খুব বেছিকৈ ধৰা,
- মাছ মাৰিবৰ বাবে পানীত বোমা, বিষাক্ত অপতৃণনাশক কীটনাশক আদি প্ৰয়োগ কৰা।

স্থানীয় মানুহৰ বাবে নদ-নদীসমূহ এক সংস্কৃতিক পৰম্পৰাৰে যুক্ত হৈ প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্দ্ধন কৰাৰ লগে লগে বন্য জীৱন মাছ আদিৰ বাসস্থান হৈ থাকে। বিহুগীতত আছেই -

'ন পানী বঢ়া নাই - নতুন মাছ পৰা নাই ..............'

**মাছ থাকিবলৈ সুস্থ বাসস্থানৰ প্ৰয়োজন ঃ**

খাদ্য, প্ৰজনন আৰু পৰিভ্ৰমণৰ বাবে মাছসমূহকো কিছুমান বাতাবৰণৰ প্ৰয়োজন। প্ৰাকৃতিক নিজৰাৰ বা পাহাৰী জুৰিবোৰৰ কিছুমান দ' আৰু বাম স্থান থাকে। নিজৰাৰ দ' স্থানবোৰ মাছৰ বাবে জিৰণিৰ স্থান আৰু ইয়েই পানীৰ তাপমাত্ৰা কমাই ৰখাত সহায় কৰে। এনেকুৱা দ' ঠাইবোৰত মাছে আন পৰভক্ষীৰ পৰা নিজকে বচাই নিৰাপদে থাকে। বাম ঠাইবোৰে অক্সিজেন শোষণ কৰি ৰখাৰ লগতে মাছৰ খাদ্যৰ সন্ধান দিয়ে। নিজৰাত থকা ডাঙৰ আৰু সৰু শিলবোৰে বহুতো জলজ জীৱক (প্ৰাণী আৰু উদ্ভিদ) জীৱন ধাৰণৰ সুবিধা দিয়ে।

**পানী নিজৰাৰ উদ্ভিদেও সুস্থ পাৰিপাৰ্শ্বিকতাৰ জন্ম দিয়ে ঃ**

নদী- নিজৰাৰ দুয়োপাৰে থকা ঘাঁহনিৰ পৰা আৰম্ভ কৰি ডাঙৰ গছলৈ আটাইয়ে মাছৰ এক বসতিস্থল গঢ়ি উঠাত মুখ্য ভূমিকা গ্ৰহণ কৰে। প্ৰাকৃতিকভাৱে মাছৰ খাদ্য প্লৱকসমূহে নৈ কাষৰীয়া অঞ্চলৰ পৰা মাটি পৰিপুষ্টি লাভ কৰে। ঘাঁহ, বন, বা গছ আৰু ইহতৰ শিপাসমূহে মাটিক বৰষুণৰ পানী শোষণ কৰাত আৰু ভূমিক্ষয় ৰোধ কৰাত সহায় কৰে।

**মাছক সাঁতুৰিবৰ সুবিধা লাগিবই ঃ**

নদী বা নিজৰাৰ মাছক উজনি নামনি দুয়ো দিশে সাঁতোৰাৰ সুবিধা লাগিবই। মাছৰ এই চাল চলন মুখ্যতঃ সিঁহতৰ খাদ্য সংগ্ৰহ, শত্ৰুৰ পৰা ৰক্ষা পৰা আৰু শাৰিৰীক গঠনৰ বাবে বৰ আৰশ্যক। সেয়েহে নদী বা নিজৰাৰ মাজত বান্ধ দি ইয়াৰ গতি বন্ধ কৰিব নালাগে।

**মৎস্য সংৰক্ষণত আপুনি কি ভূমিকা লব ?**

মাছ আৰু ইয়াৰ বসতিস্থল সংৰক্ষণ কৰাটো সম্ভৱ হ'ব একমাত্ৰ আপোনালোকৰ প্ৰত্যক্ষ সহায়, সমৰ্থন আৰু সহযোগৰ দ্বাৰাহে। আপুনি বিপন্ন প্ৰায় আপুৰুগীয়া মাছৰ প্ৰজাতিসমূহৰ লগত ইঁহতৰ বসতিস্থলৰ ৰক্ষনাবেক্ষণত নিম্নলিখিত উপায়েৰে সহায় কৰিব পাৰে।

- মাছৰ বসতিস্থল ধ্বংস নকৰিব আৰু বৃক্ষ ৰোপন আঁচনিত যোগদান কৰক।
- নৈ বা নিজৰাৰ কাষৰীয়া অঞ্চল সমূহ ঘাঁহ, বন-গছ ধ্বংস কৰি উদং নকৰিব।
- মাছক পুলি পোনা সহিতে ধ্বংস কৰিব পৰা মাছমৰা পদ্ধতি যেনে - বোমা দিয়া, বিষাক্ত কীটনাশক বা অন্য ৰাসায়নিক দ্ৰব্য দিয়া আদি অতি শীঘ্ৰে বন্ধ কৰাৰ বাবে জন-জাগৰন অনাত সহায় কৰক।
- কণী হৈ থকা মাছ (গাভিনী) ধৰা বন্ধ কৰক।
- একেবাৰে পোনা মাছ ধৰা বৰ্জন কৰক।
- মাছে পোনা দিয়া সময়ত পৈনত কণীযুক্ত মাছ ধৰা বন্ধ কৰক।
- বোৰতী নদী বা নিজৰাৰ ধাৰ বন্ধ নকৰিব।
- নিজৰাৰ দুয়োপাৰে গজি উঠা ঘাঁহ বন কটা বন্ধ কৰক। দুয়োপাৰে ১৫ মিটাৰ পৰ্যন্ত ঘাঁহ-গছ জোপাহা বন আদি কাটি খাস্তাং নকৰিব।
- পাহাৰী নিজৰাৰ বুকুৰ পৰা শিল, জলজ উদ্ভিদ আদি আঁতৰাই নিদিব।
- পানী সকলো সময়তে পৰিষ্কাৰ কৰি ৰাখক।
- নদী বা নিজৰাৰ বুকু প্ৰকৃতিগতভাৱে থাকিব দিয়ক।
- বিপন্ন প্ৰজাতিৰ মাছৰ কৃত্ৰিম প্ৰজনন কৰক।
- ওচৰৰ মাছ সংৰক্ষণ সমিতিৰ সদস্য হওঁক। 'মাছ সংৰক্ষণ আঁচনি'সমূহত সহযোগ কৰক আৰু আনকো সহযোগ কৰিবলৈ উদ্‌গনি দিয়ক।
- চোৰাংকৈ মাছ মৰা কাৰ্য্যক ৰাইজে সমূহীয়াকৈ বাধা প্ৰদান কৰক।
- উপলব্ধি কৰক 'ৰাইজে নখ জোকৰিলে নৈ বয়'।

**আপোনাৰ উপদেশসমূহ নিম্নলিখিত ঠিকনাত লিখি পঠিয়াওক ঃ**

নিৰ্দেশক (Director) ৰাষ্ট্ৰীয় মৎস্য অনুবংশিক-সংসাধন সংস্থা (NBFGR)
কেনেল ৰিং ৰোড, পোঃঅঃ দিলকুশা,
তেলিবাগ, লক্ষ্ণৌ - ২২৬ ০০২ (উত্তৰ প্ৰদেশ)

**পুণৰ মাছ সংৰক্ষণৰ বিশদ বিৱৰণৰ বাবে তলৰ অনুষ্ঠানসমূহক যোগাযোগ কৰক ঃ**

- ৰাজ্যিক মীন বিভাগ, গুৱাহাটী, অসম (State Fishery Dept. Govt. of Assam)
- কেন্দ্ৰীয় অন্তৰ্দেশীয় প্ৰগ্ৰহণ মীন ক্ষেত্ৰ গৱেষণা প্ৰতিষ্ঠান, গুৱাহাটী কেন্দ্ৰ (Central Inland Capture Fishries Research Centre, ICAR, Guwahati)
- উত্তৰ-পূৰ্ব পৰিষদ, চিলং (North Eastern Council, Shillong)
- প্ৰাণীবিজ্ঞান বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় (Zoology Dept., Gauhati University)
- অসম ভৰেলী এংলাৰস সংস্থা, তেজপুৰ (Assam Bhoreli Anglers' Association)
- বিশ্ব প্ৰকৃতি নিধি - ভাৰত, উত্তৰ-পূৰ্বাঞ্চল, গুৱাহাটী (WWF-India, North Eastern Region, Guwahati)

**অনুবাদ ও প্ৰস্তুতকৰ্তা ঃ**

- ডঃ ইউ. কে. সৰকাৰ
- শ্ৰীএস. এম. শ্ৰীবাস্তৱ
- ডঃ বলেন্দ্ৰ কুমাৰ দাস
- ডঃ প্ৰবীণ চন্দ্ৰ মহন্ত
- অধ্যাপক ডঃ উমেশ চন্দ্ৰ গোস্বামী
- ডঃ অতুল বৰগোঁহাই

*****

**(উৎস ঃ ৰাষ্ট্ৰীয় মৎস্য আনুবংশিক সংসাধন সংস্থা, কেনেল ৰিং ৰোড, পোঃ অঃ দিলকুশা, তেলিবাগ, লক্ষ্ণৌ - ২২৬ ০০২)**